
অসম

(২০১৪-২০২১*)

“পৰিবহণৰ দ্বাৰা ৰূপান্তৰণেই হৈছে উত্তৰ পূৰ্বাঞ্চলৰ বাবে মোৰ লক্ষ্য”

~ শ্ৰীযুত নৰেন্দ্ৰ মোদী
মাননীয় প্ৰধানমন্ত্রী






ভাৰতীয় ৰেল

ৰেলৰেৰ দ্বাৰা উত্তৰ-পূৰ্বাঞ্চলৰ পুনৰুত্থান

উত্তৰ পূব ভাৰতৰ বাবে বিত্তীয় আবন্টনত এক অভূতপূর্ব বৃদ্ধি

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ৰেল যোগাযোগৰ বাবে যোৱা সাত বছৰত বিত্তীয় পুঁজিৰ আবন্টন প্ৰায় ২৪৪% বৃদ্ধি হৈছে



প্ৰতি বছৰ গড় পুঁজিৰ ব্যৱহাৰ (কোটি টকা)

সম্পাদিত প্ৰকল্প

- ৪০২ কি.মি. নতুন লাইন সংযোজন
- ১১১৯ কি.মি. গজ পৰিৱৰ্তন
- ১৫০ কি.মি. দ্বৈত লাইন সংযোজন
- ১,১৭৮ কি.মি. নতুন লাইনৰ জৰীপ সম্পূৰ্ণ
- যোৱা ৭ বছৰত ৪১,৫৯৯ কোটি টকা মূলধনী ব্যয়

নিৰ্মাণাধীন প্ৰকল্প

- ২৩ টা নতুন লাইনৰ প্ৰকল্প নিৰ্মাণাধীন (১,৯১৩ কি.মি.)
- ১২ টা দ্বৈত লাইনৰ প্ৰকল্প নিৰ্মাণাধীন (৬৩০ কি.মি.)
- ১,১৮,৮১২ কোটি টকাৰ প্ৰত্যাশিত ব্যয়
- ৯ টা নতুন লাইনৰ ৰাষ্ট্ৰীয় প্ৰকল্প
- ৫,১৫৮ কি.মি. নতুন ব্ৰড গ'জ লাইনৰ সংযোজন কৰা হ'ব।
- উত্তৰ পূৱৰ সকলো ৰাজ্যৰ ৰাজধানীসমূহক ব্ৰড গজ লাইনেৰে সংযোজিত কৰা হ'ব

উল্লেখযোগ্য বৈশিষ্ট্যসমূহ

- স্থানীয় যুৱক-যুৱতীৰ উপার্জনক্ষম নিয়োগৰ বাবে অধিক কর্ম সংস্থাপনৰ সৃষ্টি
- মানৱ বিহীন লেভেল ক্রছিং গেটৰ ১০০ শতাংশ অপসাৰণ
- বিগত ২০১৮ চনৰ ২ অক্টোবৰৰ পৰা সকলোবোৰ ষ্টেচনতে যন্ত্রচালিত পৰিস্কাৰকৰণ ব্যৱস্থাৰ প্রাৰম্ভ
- ২৫৭ টা ষ্টেচনত দিব্যাংগজনৰ বাবে শৌচাগাৰ উপলব্ধ কৰোৱা হৈছে
- সকলো মনোনীত ষ্টেচনত বিনামূলীয়া দ্রুত ৱাইফাই সেৱা উপলব্ধ কৰোৱা হৈছে
- ৯ টা ষ্টেচনত ২৩ খন লিফট্ৰ সুবিধা প্রদান কৰা হৈছে আৰু ২১ টা ষ্টেচনত অতিৰিক্ত ৩০ খন লিফট্ৰ সুবিধা প্রদান কৰা হ'ব
- ৮ টা ষ্টেচনত ১৮ খন এস্কালেটৰৰ সুবিধা প্রদান কৰা হৈছে আৰু ৪ টা ষ্টেচনত অতিৰিক্ত ১২ টা এস্কালেটৰৰ সুবিধা প্রদান কৰা হ'ব

মূল লাভালাভ

- উত্তৰ পূৱৰ সকলো ৰাজ্যৰ ৰাজধানীসমূহক ব্রড গজ লাইনেৰে সংযোজিত কৰা হ'ব
- আর্থ-সামাজিক দৃশ্যপট সলনি হ'ব



গুৱাহাটী ৰেলৱে ষ্টেচন

অসমৰ বাবে উন্নয়নৰ কামকাজ (২০১৪-২০২১)

ৰেল যোগাযোগৰ উত্তৰণ

- ৭ এপ্ৰিল, ২০১৪ তাৰিখে হাৰমতী (অসম)ক নাহৰলগুণ (অৰুণাচল প্ৰদেশ)ৰ স'তে ব্ৰডগজ ৰেল লাইনৰ দ্বাৰা সংযোজিত কৰা হয়
- প্ৰথমবাৰৰ বাবে মেঘালয়ৰ সৈতে ৰেল সংযোগ স্থাপন কৰা হয় ২০১৪ চনৰ ২৯ নৱেম্বৰত, যি সময়ত অসমৰ দুধনৈৰ স'তে মেঘালয়ৰ মেন্দিপথাৰক ব্ৰডগজ লাইনেৰে সংযুক্ত কৰা হয়
- ২০১৬ চনৰ ২৭ মে' তাৰিখে অৰুণাচল (অসম) ৰ পৰা মণিপুৰৰ জিৰিবাম লৈকে ব্ৰডগজ লাইনেৰে সংযুক্ত কৰা হয়
- ২০১৬ চনৰ ২৭ মে' তাৰিখে কাটাখাল (অসম) ৰ পৰা মিজোৰামৰ ভৈৰৱী লৈকে ব্ৰডগজ লাইনেৰে সংযুক্ত কৰা হয়

মূল লাভালাভ

- উত্তৰ পূৰ্বাঞ্চলৰ দুখন ৰাজ্যৰ সৈতে অসমক ব্ৰডগজ ৰেলৰে লাইনেৰে সংযুক্ত কৰা হয়

- ২০১৪-২১ বৰ্ষৰ সময়চোৱাত ১৩০ কি লোমিটাৰ নতুন ব্ৰডগজ ৰেলৰে লাইন কাৰ্যক্ষম কৰি তোলা হয়। এই ১৩০ কিলোমিটাৰৰ ভিতৰত ৩৭.২২ কিলোমিটাৰৰ নতুন লাইন ২৮৯ কিঃমিঃ দৈৰ্ঘ্যৰ ময়নাগুড়ী-যোগীঘোপা নতুন লাইন প্ৰকল্পৰ এক অংশ

মূল লাভালাভ

- ময়নাগুড়ী-গোলকগঞ্জ-যোগীঘোপা হৈ নতুন ব্ৰডগজ ৰেলৰে লাইনেৰে পথৰুদ্ধ অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ অন্য ছয়খন ৰাজ্যৰ লগতে দেশৰ বাকী অংশৰ সৈতে বিকল্প সংযোগ উপলব্ধ কৰি নিৰবিচ্ছিন্ন যোগাযোগ নিশ্চিত কৰিব

- ২০১৪-২১ বৰ্ষৰ সময়চোৱাত মাজগাঁও-অভয়াপুৰী আৰু ডিগাৰু-লামডিং খণ্ডৰ মাজত ১১৩.১৬ কি লোমিটাৰ **ব্ৰডগজ ৰেলৰে লাইনৰ** দ্বৈতকৰণৰ কাম সম্পূৰ্ণ কৰি তোলা হয়। ইয়াৰে ভিতৰত ৫৯.৬৯ কিলোমিটাৰ দ্বৈতকৰণৰ কাৰ্য বিগত বৰ্ষত সম্পূৰ্ণ কৰি তোলা হয়
- ২০১৪-১৯ বৰ্ষৰ সময়চোৱাত ৬৪৫.৫৬ কিলোমিটাৰ **গজ পৰিবৰ্তনৰ** কাৰ্য সম্পন্ন কৰা হয় যাৰদ্বাৰা অসমত সমস্ত মিটাৰ গজ ৰেলৰে লাইন অপসাৰিত কৰা হয়

মূল লাভালাভ

- দ্বৈতকৰণ লাইনৰ প্ৰগতিৰ লগে লগে উত্তৰ পূৰ্বাঞ্চলৰ পৰা আৰু উত্তৰ পূৰ্বাঞ্চললৈ অধিক ৰেল চলাচল সম্ভৱ হৈ উঠিব
- সকলো মিটাৰ গজৰ লাইনৰ অপসাৰণে সমৰূপ প্ৰতিষ্ঠা কৰিছে আৰু পৰিচালনৰ দক্ষতা বৃদ্ধি কৰিছে

বগীবিল সেঁতু মুকলি

ডিব্রুগড়ৰ সমীপৰ বগীবিল সেঁতু ৰাইজৰ বাবে যোৱা ২৫ ডিচেম্বৰ, ২০১৮ তাৰিখে মুকলি কৰা হয়

- এছিয়াৰ দীৰ্ঘতম ৰেল আৰু পথ দলং
- উজনি অসমৰ পৰা দিল্লীলৈ ৰেলৰ দূৰত্ব ১৭০ কিলোমিটাৰ হ্ৰাস
- সম্পূৰ্ণৰূপে ৱেল্ডিং কৰা ৰিভেট মুক্ত গাৰ্ডাৰ
- অত্যাধুনিক নিৰ্মাণ প্ৰযুক্তিবিদ্যা ব্যৱহাৰ কৰা হৈছে

মূল লাভালাভ

- ব্ৰহ্মপুত্ৰৰ ওপৰেৰে উজনি অসমৰ ৰেল যোগাযোগৰ দিশত এক বহুদিনীয়া পৰিকল্পিত আৱশ্যকতা পূৰণ হয়
- বৃহৎ সংখ্যক জনগণৰ উপকাৰৰ বাবে তাৎক্ষণিকভাৱে অতিৰিক্ত আন্তঃগাঁথনি সৃষ্টি কৰাৰ বাবে অগ্ৰগামী পদক্ষেপ

২০১৪-২১ বৰ্ষৰ সময়চোৱাত অনুমোদিত নতুন ৰেলৰে প্ৰকল্পসমূহ

- ২,৬৯৬ কোটি টকাৰ ব্যয় সাপেক্ষে শিৱসাগৰৰ পৰা যোৰহাটলৈ ৬২ কি.মি. নতুন ব্ৰডগজ লাইন
- ৫,৯৫৮ কোটি টকাৰ ব্যয় সাপেক্ষে শালনাৰ পৰা খুমটাইলৈ ৯৯ কি.মি. নতুন ব্ৰডগজ লাইন

মূল লাভালাভ

- ৰাষ্ট্ৰীয় ঘাইপথ নং ৩৭ ৰ কাষেৰে চাপৰমুখৰ পৰা উজনি অসমলৈ বিকল্প ৰে'ল পথৰ নিৰ্মাণ
- ডিব্রুগড়ৰ পৰা গুৱাহাটীলৈ দূৰত্ব হ্ৰাস হ'ব
- গোলাঘাট, যোৰহাট আৰু শিৱসাগৰ জিলাৰ বিস্তীৰ্ণ এলেকাক সংযোজিত কৰা হ'ব

- ৩,৫৮২ কোটি টকা ব্যয় সাপেক্ষে ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলঙৰ সৈতে তেজপুৰৰ পৰা শিলঘাটলৈ ২৫ কি.মি. নতুন ব্ৰড গজ লাইনৰ নিৰ্মাণ

মূল লাভালাভ

- উত্তৰ পাৰৰ তেজপুৰক দক্ষিণ পাৰৰ শিলঘাটৰ সৈতে সংযোজিত কৰাৰ অৰ্থে ব্ৰহ্মপুত্ৰৰ ওপৰত চতুৰ্থখন দলঙৰ নিৰ্মাণ
- তেজপুৰৰ পৰা উজনি অসমলৈ নতুন ৰেলপথৰ মুকলি

- আগিয়াঠুৰীৰ পৰা কামাখ্যালৈ ৭ কি.মি. নতুন ব্ৰডগজ লাইনৰ সৈতে ১,৬৭৭ কোটি টকাৰ ব্যয়সাপেক্ষে শৰাইঘাটত দ্বিতীয়খন সেঁতু
- ৬,১২৪ কোটি টকা ব্যয় সাপেক্ষে কামাখ্যাৰ পৰা নিউ গুৱাহাটীলৈ ১০ কি.মি.ৰ চাৰি লেনলৈ উন্নীত ৰেলপথ
- ৬৬১ কোটি টকাৰ ব্যয় সাপেক্ষে মুৰকংচেলেক- পাছিঘাটৰ মাজত ২৬ কি.মি. নতুন ব্ৰডগজ লাইন
- ২,২৩২ কোটি টকাৰ ব্যয় সাপেক্ষে বঙাইগাঁও-গোৱালপাৰা-গুৱাহাটীৰ মাজত ১৭৬ কি.মি. দ্বৈতকৰণ লাইন
- ২,০৪৩ কোটি টকাৰ ব্যয় সাপেক্ষে নিউ বঙাইগাঁও-আগিয়াঠুৰীৰ মাজত (ৰঙিয়া হৈ) ১৪৩ কি.মি. দ্বৈতকৰণ লাইন
- ৩,৮১০ কোটি টকাৰ ব্যয় সাপেক্ষে লামডিং-তিনিচুকীয়া জংচন-ডিব্রুগড়ৰ মাজত ৩৮১ কি.মি. দ্বৈতকৰণ লাইন
- ২,১৩৬ কোটি টকাৰ ব্যয় সাপেক্ষে ডিগাৰু-হোজাইৰ মাজত ১০২ কি.মি. দ্বৈতকৰণ প্ৰকল্প

নতুন ব্ৰডগজ লাইনৰ বাবে কিছুমান গুৰুত্বপূৰ্ণ জৰীপ

৭৪৯ কি.মি. নতুন ব্ৰডগজ ৰেললাইন নিৰ্মাণৰ বাবে চলি থকা জৰীপ

- ৰঙিয়াৰ পৰা ডেকাৰগাঁওলৈ বেজেৰা, ছিপাঝাৰ, মঙ্গলদৈ, দলগাঁও, ওৰাং হৈ ১৪০ কি.মি.
- গোগামুখৰ পৰা ঢকুৰাখানা, কমলাবাৰী আৰু গড়মুৰ হৈ যোৰহাটলৈ ১০০ কি.মি.

মূল লাভালাভ

- দৰং জিলাৰ যোগাযোগ বিহীন গুৰুত্বপূৰ্ণ অঞ্চলসমূহক ৰেল মানচিত্ৰৰ সৈতে সংযোগ কৰা হ'ব যাৰ দ্বাৰা সুলভ ভ্ৰমণৰ বাবে এক বৃহৎ সংখ্যক জনগণক উপায় প্ৰদান কৰিব
- ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰ উভয়কে ৰেলৰে লাইনৰ সৈতে বিশ্বৰ বৃহত্তম নদী দ্বীপ মাজুলীক সংযোজিত কৰা হ'ব

- উত্তৰ লখিমপুৰৰ পৰা চিলাপথাৰ হৈ অৰুণাচল প্ৰদেশৰ বামেলৈ ৮৭ কি.মি.
- লেখাপানীৰ পৰা নামপুং, নিউ খামলাং হৈ দেবানলৈ ৭৫ কি.মি.
- ডুমডুমাৰ পৰা শিমলুগুড়ী, নামচি আৰু চৌখাম হৈ ৰাক্ৰোলৈ ৯৬ কি.মি.
- ডাংৰিৰ পৰা ৰয়িঙলৈ ৬০ কি.মি.
- তিনিচুকীয়াৰ পৰা দেওমালী, লেখাপানী, জয়ৰামপুৰ, খাৰচাং, মিয়াও, দিয়ুন, তেজু, ৰয়িং আৰু ডাম্বুক হৈ পাছিঘাটলৈ ৩০০ কি.মি.
- ধলাইবিলৰ পৰা ইটাখোলা হৈ সেইজছালৈ ১৮ কি.মি.
- নাহৰকটিয়াৰ পৰা দেওমালীলৈ ২০ কি.মি.
- চাপৰমুখৰ পৰা ভকচুং, ৰাজাগাঁও, ৰৈঠালাংচু, জেংখা, খেৰনি আৰু উমৰাংচু হৈ জোৰাইলৈ ১৮০ কি.মি.

মূল লাভালাভ

- অৰুণাচল প্ৰদেশৰ একাধিক এলেকাক ৰেলৰে লাইনেৰে সংযোজিত কৰা হ'ব। ইয়াৰ দ্বাৰা ৰাজ্যখনৰ পাহাৰীয়া অঞ্চলত গুৰুত্বপূৰ্ণ আৰ্থ সামাজিক বিকাশ ঘটিব
- শ্বিলং আৰু গুৱাহাটীক সংযোজিত এক নতুন ৰেলপথৰ বাহিৰেও মেঘালয়ে এক বিকল্প নতুন ৰেলপথ লাভ কৰিব



গুৱাহাটী-লামডিঙৰ মাজত নবনিৰ্মিত নতুন ৰেল লাইন খণ্ড

অন্যান্য আন্তঃগাঁথনি আৰু সুৰক্ষা বৃদ্ধিৰ কামকাজ

- ২০১৯-২০ বৰ্ষৰ সময়চোৱাত ৪৫৫.৪৯ কি.মি. আৰু ২০২০-২১ বৰ্ষৰ সময়চোৱাত ২৭৭.৪৫ কিলোমিটাৰত ৰেলৰ গতিবেগ বৃদ্ধি
- অসমত ২০১৪-২০২১ বৰ্ষৰ সময়চোৱাত সুৰক্ষা উন্নতকৰণৰ অৰ্থে ৰেলৱে লেভেল ক্ৰছিংসমূহ অপসাৰণ কৰি ২৩ খন **ৰোড অ'ভাৰ ব্ৰীজৰ** (আৰঅ'বি) নিৰ্মাণ; ইয়াৰ ২ খন ২০২০-২১ বৰ্ষৰ সময়চোৱাত নিৰ্মাণ কৰা হৈছে
- অসমত ২০১৪-২০২১ বৰ্ষৰ সময়চোৱাত ২১২ খন ৰোড আণ্ডাৰ ব্ৰীজৰ (আৰইউবি) নিৰ্মাণ কৰা হৈছে; ইয়াৰে ৩৮ খন ২০২০-২০২১ বৰ্ষৰ সময়চোৱাত নিৰ্মাণ কৰা হৈছে
- বানপানীৰ সম্ভাৱনীয়তা হ্ৰাস কৰাৰ অৰ্থে ৭ টা অতিৰিক্ত জলপথৰ নিৰ্মাণ
- ২০১৪-১৯ বৰ্ষৰ সময়চোৱাত অসমত সমস্ত মানৰ বিহীন লেভেল ক্ৰছিং গেটৰ অপসাৰণ




- ২০১৪-১৯ বৰ্ষৰ সময়চোৱাত ৰঙাপাৰা নৰ্থ আৰু শিলচৰত ব্ৰডগজ ডবা ৰক্ষণাবেক্ষণ ডিপো স্থাপন
- নিউ বঙাইগাঁও আৰু ডিব্ৰুগড় ৰেল কাৰখানাত উচ্চ গতি সম্পন্ন লিংক হফমেন বাস্ক (এলএইচবি) ডবাসমূহৰ ৰক্ষণাবেক্ষণৰ বাবে আন্তঃগাঁথনি সা-সুবিধাৰ উন্নীতকৰণ



ষ্টেচনসমূহত উপলব্ধ সা-সুবিধাসমূহ

- ২০১৪-২০২১ বৰ্ষৰ সময়চোৱাত ৫৩ খন ফুট অ'ভাৰ ব্ৰীজ (এফঅ'বি) নিৰ্মাণ কৰা হয়; ইয়াৰে ভিতৰত ১৭ খন বিগত ২০২০-২১ বৰ্ষৰ সময়চোৱাত নিৰ্মাণ কৰা হয়
- ২০২১ বৰ্ষৰ মাৰ্চ পৰ্যন্ত দিব্যাঙ্গজনৰ বাবে ২১৯ টা শৌচাগাৰ নিৰ্মাণ কৰা হয়
- ২০১৪-২০২১ বৰ্ষৰ সময়চোৱাত ষ্টেচনসমূহত ৫৬ টা শৌচাগাৰ নিৰ্মাণ কৰা হয়; ইয়াৰে ভিতৰত ১৪ টা শৌচাগাৰ ২০২০-২১ বৰ্ষত নিৰ্মাণ কৰা হয়
- ২০১৪-২০২০ বৰ্ষৰ সময়চোৱাত ১০ খন নতুন প্লেটফৰ্ম নিৰ্মাণ কৰা হয়; ইয়াৰে ভিতৰত ৪ খন ২০১৯-২০ বৰ্ষত নিৰ্মাণ কৰা হয়
- ২০২০-২০২১ বৰ্ষৰ সময়চোৱাত ৪৬ টা ষ্টেচনত প্লেটফৰ্ম/পেছেঞ্জাৰ প্লেটফৰ্ম শ্বেডৰ সম্প্ৰসাৰণ কৰা হয়
- ২০১৪-২০২১ বৰ্ষৰ সময়চোৱাত ১৫ খন লিফট স্থাপন কৰা হয়; ইয়াৰে ভিতৰত ৪ খন ২০২০-২১ বৰ্ষত স্থাপন কৰা হয়
- ২০১৪-২০২১ বৰ্ষৰ সময়চোৱাত ১০ খন এস্কালেটৰ স্থাপন কৰা হয়; ইয়াৰে এখন ২০২০-২১ বৰ্ষৰ সময়চোৱাত স্থাপন কৰা হয়
- ৪১ টা ৰেলৰে ষ্টেচনত ষ্টেচন চাৰ্কুলেটিং এৰিয়াৰ উন্নতকৰণ কৰা হয়; ইয়াৰে ৮ খন চাৰ্কুলেটিং এৰিয়া ২০২০-২১ বৰ্ষৰ সময়চোৱাত উন্নতকৰণ কৰা হয়
- সৰ্বমুঠ ৩২ কোটি টকাৰ ব্যয় সাপেক্ষে ২০১৯-২০ বৰ্ষৰ সময়চোৱাত নতুন ষ্টেচন ভৱন, প্ৰতীক্ষা হ'ল, জলপান গৃহ আৰু ভিআইপি লাউঞ্জৰ সৈতে গুৱাহাটী, ৰঙিয়া আৰু নিউ তিনিচুকীয়া ষ্টেচনৰ লঘু আধুনিকীকৰণৰ কাৰ্য হাতত লোৱা হয়
- ২০১৯ বৰ্ষৰ সময়চোৱাত হোজাই, লংকা, ধলপুখুৰী, হাৱাইপুৰ আৰু লামডিং ষ্টেচনত নৱনিৰ্মিত চাৰিটা নতুন ষ্টেচন ভৱন মুকলি
- অসমত ২০২০-২০২১ বৰ্ষৰ সময়চোৱাত ৭৭ টা ৰেলৰে ষ্টেচনত উন্নতকৰণৰ কাৰ্য সম্পন্ন কৰা হয়
- কামাখ্যা ষ্টেচনত পুৰুষ/মহিলাৰ বাবে এচি ডৰ্মিটৰি, এচি প্ৰতীক্ষা হল, কেফেটৰিয়া, এচি বিশ্ৰাম কক্ষৰ লগতে ইয়াক বিশ্বমানদণ্ডৰ এটি ষ্টেচন ৰূপে উন্নতকৰণ কৰি তোলা হয়
- গুৱাহাটী ৰেলৰে ষ্টেচনে পৰিৱেশ নিয়ন্ত্ৰণ প্ৰণালীৰ কাৰ্যকৰীকৰণৰ বাবে ২০১৯ বৰ্ষত আইএছঅ'-১৪০০১:২০১৫ প্ৰমাণপত্ৰ লাভ কৰিবলৈ সক্ষম হয়
- ২০১৪-১৯ বৰ্ষৰ সময়চোৱাত নিউ তিনিচুকীয়া, লামডিং, গুৱাহাটী ষ্টেচনত আৰু ২০১৯-২০ বৰ্ষৰ সময়চোৱাত ৰঙিয়া ষ্টেচনত ফুড প্লাজা মুকলি কৰা হয়
- ২০১৪-২০২১ বৰ্ষৰ সময়চোৱাত ২২ টা ষ্টেচনত ৰাজহুৱা ঘোষণা প্ৰণালী মুকলি কৰা হয়; ইয়াৰে ০৮ টা ২০২০-২১ বৰ্ষৰ সময়চোৱাত মুকলি কৰা হয়





ৰেলত সা-সুবিধাৰ উন্নতকৰণ

২০১৪-২০১৯ বৰ্ষৰ সময়চোৱাত:

- ৪৫ খন মেইল/এক্সপ্রেছৰ ৰেলত **অন ব'ৰ্ড হাউচকিপিং** (অ'বিএইচ) সেৱা উপলব্ধ কৰা হৈছে
- গুৱাহাটী-ডিব্রুগড় আৰু গুৱাহাটী-নাহৰলগুণ শতাব্দী এক্সপ্রেছৰ অন্তর্ভাগ **প্রজেক্ট স্বর্ণৰ অধীনত ৰেলযাত্রী** স্বাচ্ছন্দ্য আৰু উন্নতমানৰ সৌন্দর্যবোধৰ বাবে আধুনিকীকৰণ কৰা হৈছে
- **২৯ খন ৰেলত উচ্চ গতিসম্পন্ন এলএইচবি ডবাৰ** সংলগ্ন কৰা হৈছে
- অসমৰ পৰা যাত্রা প্রাৰম্ভ কৰা সমস্ত ৰেলৰ ডবাসমূহত যন্ত্রচালিত পৰিস্কাৰকৰণ পদ্ধতি
- অসমৰ পৰা যাত্রা আৰম্ভ কৰা সমস্ত মেইল/এক্সপ্রেছৰ ৰেলসমূহত **এছএমএছ/ ৰেৱ আধাৰিত যাত্রী অভিযোগ নিস্পত্তিকৰণ প্রণালী** উপলব্ধ কৰা হৈছে

২০১৯-২০ বর্ষতঃ

- গুৱাহাটী আৰু লামডিং ষ্টেচনৰ মাজেৰে পাৰ হৈ যোৱা সমস্ত ৰেলৰ পানী যোগানৰ অর্থে উচ্চ চাপযুক্ত তাৎক্ষণিক পানী যোগান প্রণালী উপলব্ধ কৰোৱা হৈছে
- অনতিপলমে ডিব্রুগড় আৰু শিলচৰ ৰেলৱে ষ্টেচনত ৰেলৰ ডবাৰ বাবে স্বয়ংক্রিয় পানী যোগান প্রকল্প স্থাপন কৰা হ'ব
- ১০ খন ৰেলত উচ্চ গতিবেগ সম্পন্ন এলএইচবি ডবা সংলগ্ন

২০২০-২১ বর্ষতঃ

- নিউ বঙাইগাঁও ৰেল কাৰখানাত নতুন আৰ্হিৰ এলএচবি ব'গীৰ মেৰামতি গোট কার্যক্ষম কৰি তোলা হৈছে
- অসমৰ পৰা যাত্রা আৰম্ভ কৰা সমস্ত ট্রেইনত ট্রেকৰ ওপৰত শূন্য ডিচচার্জৰ সহিতে পৰিৱেশ হিতৈষী বায়ো-টয়লেট সংলগ্ন কৰা হৈছে
- এচি নথকা ২৩৫ টা ডবাত অগ্নি নির্বাপক যন্ত্র উপলব্ধ কৰা হৈছে
- বদৰপুৰ জংচন ৰেলৱে ষ্টেচনত এছচিএডিএ নিয়ন্ত্রিত তাৎক্ষণিক পানী যোগান প্রণালী প্রৱর্তন কৰা হৈছে

ডিজিটেল প্রয়াস

- ২০১৪-২১ বর্ষৰ সময়চোৱাত ২১৮ টা ষ্টেচনত বিনামূলীয়া ৱাই-ফাই প্রদান কৰা হৈছিল; ইয়াৰে ৬ টা ২০২০-২১ বর্ষৰ সময়চোৱাত প্রদান কৰা হৈছে



- ২০২০-২১ বৰ্ষৰ সময়চোৱাত ২১ টা ৰেলৱে ষ্টেচনত **যাত্ৰী টিকট আৰক্ষণ প্ৰণালী (পিআৰএছ)** কাৰ্যক্ষম কৰি তোলা হৈছে
- ২০২০-২১ বৰ্ষৰ সময়চোৱাত ৩৬ টা ৰেলৱে ষ্টেচনত **অংসৰক্ষিত টিকট ক্ৰয় প্ৰণালী (ইউটিএছ)** কাৰ্যক্ষম কৰি তোলা হৈছে
- ২০১৪-২১ বৰ্ষৰ সময়চোৱাত ৬ টা ৰেলৱে ষ্টেচনত **ডিজিটেল ট্ৰেইন ইণ্ডিকেশ্বন বোৰ্ড** কাৰ্যক্ষম কৰি তোলা হৈছে; ইয়াৰে ভিতৰত ২০২০-২১ বৰ্ষৰ সময়চোৱাত এখন ইণ্ডিকেশ্বন বোৰ্ড কাৰ্যক্ষম কৰি তোলা হৈছে
- ২০১৪-২১ বৰ্ষৰ সময়চোৱাত ৬ টা ৰেলৱে ষ্টেচনত **ডিজিটেল কোচ ইণ্ডিকেশ্বন বোৰ্ড** কাৰ্যক্ষম কৰি তোলা হৈছে; ইয়াৰে ভিতৰত ২০২০-২১ বৰ্ষৰ সময়চোৱাত এখন ইণ্ডিকেশ্বন বোৰ্ড কাৰ্যক্ষম কৰি তোলা হৈছে
- ২০১৪-২১ বৰ্ষৰ সময়চোৱাত ১০ টা ৰেলৱে ষ্টেচনত **ডিজিটেল মিউজিয়াম** স্থাপন কৰা হৈছে;



- ২০১৪-২১ বৰ্ষৰ সময়চোৱাত ১৩ টা ষ্টেচনত আইপিআইএছ সেৱা উপলব্ধ কৰা হৈছে, ইয়াৰে ভিতৰত ২ টা ২০২০-২১ বৰ্ষৰ সময়চোৱাত উপলব্ধ কৰা হৈছে
- ২০১৪-২১ বৰ্ষৰ সময়চোৱাত নগদবিহীন লেনদেনৰ বাবে সমস্ত ৰেল হেড পিআৰএছ কাউন্টাৰত **পইন্ট অফ চেল** (পিঅ'এছ) মেচিন স্থাপন কৰা হৈছে
- ২০১৪-২১ বৰ্ষৰ সময়চোৱাত ৰাজধানী এক্সপ্ৰেছ ৰেলৰ টিকট পৰীক্ষণ কৰ্মচাৰীসকলক **হেণ্ড হেলড্ টাৰ্মিনেল** প্ৰদান কৰা হৈছে
- ২০১৪-২১ বৰ্ষৰ সময়চোৱাত নন-চাবআৰবান ৰেলখণ্ডসমূহত **মোবাইল টিকেটিং চিষ্টেম** প্ৰৱৰ্তন কৰা হৈছে
- ২০১৪-২১ বৰ্ষৰ সময়চোৱাত সমস্ত ৰে' ব্ৰীজসমূহ **এফঅ'আইএছৰ** সৈতে একত্ৰীকৰণ কৰা হৈছে

যাত্ৰীৰ সূৰক্ষা

- ২০১৪-২১ বৰ্ষৰ সময়চোৱাত ১৫ টা ষ্টেচনত **চিচিটিভি** নিৰীক্ষণ পদ্ধতি উপলব্ধ কৰা হৈছে, ইয়াৰে ভিতৰত ৩ টা ২০২০-২১ বৰ্ষৰ সময়চোৱাত উপলব্ধ কৰা হৈছে
- ২০১৪-২০ বৰ্ষৰ সময়চোৱাত ৩ টা ষ্টেচনত অৰ্থাৎ গুৱাহাটী, লামডিং আৰু ডিব্ৰুগড়ত **সংহত সুৰক্ষা পদ্ধতি** উপলব্ধ কৰা হৈছে। আনহাতে ২০২০-২১ বৰ্ষৰ সময়চোৱাত ৮ টা ষ্টেচনত এই সেৱা উপলব্ধ কৰা হৈছে
- গুৱাহাটী ৰেলৱে ষ্টেচনত **'চাইল্ড হেল্প লাইন ডেস্ক'** উপলব্ধ কৰা হৈছে
- ৰেলৱে সুৰক্ষা বাহিনীৰ **'মহিলা বাহিনী'** বিশেষকৈ জয়মতী বাহিনী আৰু কনকলতা বাহিনী গঠন কৰা হৈছে আনহাতে মহিলা যাত্ৰীৰ সুৰক্ষা নিশ্চিত কৰাৰ অৰ্থে **'মেৰী চহেলী'** ৰ পদক্ষেপক কাৰ্যকৰীকৰণ কৰা হৈছে

সেউজ প্ৰয়াস

- ২০১৪-২০ বৰ্ষৰ সময়চোৱাত অসমৰ সমস্ত ষ্টেচন **১০০% আলোক সজ্জাৰে** সজ্জিত কৰি তোলা হৈছে
- ২০১৪-১৯ বৰ্ষৰ সময়চোৱাত ২,০৫৬ কিলোৱাট শক্তিসম্পন্ন চ'লাৰ পাৱাৰ পেনেল স্থাপন কৰা হৈছে আনহাতে ২০১৯-২০ বৰ্ষৰ সময়চোৱাত ১১০ কিলোৱাট শক্তিসম্পন্ন আৰু ২০২০-২১ বৰ্ষৰ সময়চোৱাত ২৬৭ কিলোৱাট শক্তিসম্পন্ন চ'লাৰ পাৱাৰ পেনেল স্থাপন কৰা হৈছে
- ২০১৪-২০ বৰ্ষৰ সময়চোৱাত ডেমু ৰেল সহিত সমস্ত পেছেঞ্জাৰ ৰেলত ট্ৰেকৰ ওপৰত ডিচচার্জ নোহোৱা কৰিবলৈ পৰিবেশ হিতৈষী **বায়ো টয়লেট** সংযোজন কৰা হৈছে
- ২০১৯-২১ বৰ্ষৰ সময়চোৱাত ৰঙিয়া, ৰৰপেটাৰোড, নিউ বঙাইগাঁও, গুৱাহাটী, কামাখ্যা, লামডিং, শিলচৰ আৰু নিউ তিনিচুকীয়াত **প্লাষ্টিক বটল ক্ৰাশ্বিং মেচিন** স্থাপন কৰা হৈছে
- ২০১৯ বৰ্ষৰ সময়চোৱাত পুনৰাৱৰ্তন হ'ব নোৱাৰা আৱৰ্জনাৰ অপসাৰণ আৰু উৎপাদিত বিদ্যুৎ শক্তিৰ ব্যৱহাৰৰ বাবে পৰিৱেশ হিতৈষী আৱৰ্জনা নিষ্কাষণৰ শক্তি প্ৰকল্প কাৰ্যক্ষম কৰি তোলা হৈছে
- বিটিপিএন ৱাগনৰ ষ্টীম ক্লীনিঙৰ বাবে আৱৰ্জনা অপসাৰণৰ ইনচিনেৰেটৰ (এইচএছডিৰ পৰিৱৰ্ত্তে) প্ৰৱৰ্তন কৰা হৈছে



গুৱাহাটী ৰেলৱে ষ্টেচনত চ'লাৰ পেনেল



বায়ো টয়লেট সংলগ্ন এটি ডবা

ৰেল বৈদ্যুতিকৰণ

সমগ্ৰ অসম খণ্ডত ৰেল বৈদ্যুতিকৰণৰ বাবে অনুমোদিত বৈদ্যুতিকৰণ কাৰ্য

- ২০২০-২১ বৰ্ষৰ সময়চোৱাত অসমত ২৩২.৫ কিলোমিটাৰ ৰেলৱে বৈদ্যুতিকৰণ কাৰ্য সম্পন্ন কৰা হৈছে

খণ্ড	নিৰ্ধাৰিত তাৰিখ
নিউ বঙাইগাঁও পৰ্যন্ত	৩০.০৬.২০২১
ৰঙিয়া হৈ গুৱাহাটী পৰ্যন্ত	৩০.০৬.২০২১
যোগীঘোপা হৈ গুৱাহাটী পৰ্যন্ত	৩১.০৭.২০২১
গুৱাহাটীৰ পৰা লামডিং পৰ্যন্ত	৩১.১২.২০২১

(২০২৩ বৰ্ষৰ ভিতৰত ৰেলৱে বোৰ্ডৰ ১০০% বৈদ্যুতিকৰণ নীতি অনুসাৰে, অসমৰ বাকী থকা ৰেলখণ্ডসমূহ ২০২৩ বৰ্ষৰ মাৰ্চ মাহৰ ভিতৰত বৈদ্যুতিকৰণ কৰি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে)

মালবস্তু পৰিবহনৰ পদক্ষেপসমূহ ২০২০-২১

- ২০২০-২১ বৰ্ষৰ সময়চোৱাত অসমত ৬,২৫৯ খন মালবাহী ৰেল আনলোড কৰা হয়
- ২০২০-২১ বৰ্ষৰ সময়চোৱাত অসমত সৰ্বমুঠ ১৩০০ খন পার্চেল ৰেল চলাচল কৰে (৬৬০ খন অন্তর্গামী আৰু ৬৪০ খন বৰ্হিগামী ৰেল)
- ৰেলৱে মুখ্য কার্যালয় আৰু মণ্ডলসমূহত বাণিজ্য বিকাশ গোট স্থাপন
- উন্নত মাল পৰিবহন হেণ্ডলিঙৰ বাবে আৰু দক্ষতা বৃদ্ধিৰ উদ্দেশ্যে ১২ টা গুডচ্ টার্মিনেলৰ উন্নীতকৰণ কৰা হৈছে
- ২০২০-২১ বৰ্ষৰ সময়চোৱাত অসমত ৬ টা নতুন গুডচ্ টার্মিনেল মুকলি কৰা হয়
- ২০২০-২১ বৰ্ষৰ সময়চোৱাত বিভিন্ন অন্তর্গামী/বৰ্হিগামী সামগ্রী পৰিবাহী ৰেলৰ সক্ষমতা বৃদ্ধিৰ বাবে ৮ টা ষ্টেচন মুকলি কৰা হয়
- কৃষকসকলৰ বাবে সুগম বজাৰ উপলব্ধ কৰাৰ হেতু ৩০ খন কিষাণ ৰেল চলাচল কৰোৱা হয়

কোভিড-১৯ অতিমাৰীৰ সময়চোৱাত গ্রহণ কৰা পদক্ষেপসমূহ

- **সৰ্বমুঠ ১৬০ খন শ্রমিক বিশেষ ৰেলৰ** পৰিচালন (১৩৭ খন অন্তর্গামী, ২৩ খন বৰ্হিগামী)
- অসমৰ বিভিন্ন ষ্টেচনত **কোভিড চিকিৎসা কেন্দ্রৰূপে সজ্জিত কৰাৰ বাবে ২০৮ টা ডবাৰ নৱীকৰণ**
- **কোভিড চিকিৎসা কেন্দ্রঃ অসমৰ ৪ খন ৰেলৱে চিকিৎসালয়ত ২৩৮ খন বিছনা উপলব্ধ কৰা হয়**

চিকিৎসালয়	বিছনাৰ সংখ্যা
মালিগাঁও স্থিত কেন্দ্রীয় চিকিৎসালয়	১২০
লামডিং স্থিত মাণ্ডলিক চিকিৎসালয়	৮০
নিউ বঙাইগাঁও স্থিত ৰেলৱে চিকিৎসালয়	২৪
ডিব্রুগড় স্থিত ৰেলৱে চিকিৎসালয়	৩৪





